# ।। উপসংহাৰ ।।

# উপসংহাৰ

এই অধ্যয়নটিৰ আৰম্ভণিতে মায়ং অঞ্চলৰ ভৌগোলিক গাঁথনি, জনসংখ্যা, উৎসৱ-অনুষ্ঠান, জলবায়ু, ভাষা-উপভাষা, শিক্ষা ব্যৱস্থা, অৰ্থনৈতিক অৱস্থা, লোকাচাৰ, চিকিৎসা পদ্ধতি, যাদু-মন্ত্ৰ, খেল-ধেমালি, লোককলা আদিৰ বিষয়ে কিঞ্চিৎ আভাস দিবলৈ চেষ্টা কৰা হৈছে। এইসমূহ বিষয়তে গৱেষণাৰ এখন বিশাল সম্ভাৱনাময় ক্ষেত্ৰ প্ৰশস্ত হৈ আছে।

বানপানী আৰু গৰাখহনীয়া সমস্যাৰে জৰ্জৰিত যদিও অঞ্চলটো অৰ্থনৈতিক দিশত স্বাৱলম্বী হ'ব পৰাকৈ বিভিন্ন খণ্ড আছে। প্ৰাকৃতিক সম্পদত চহকী অঞ্চলটোৰ পৰা উপকৃত হ'ব পৰাকৈ বিভিন্ন উৎস আছে। ৩৮৮৩ (তিনি হাজাৰ আঠশ তিৰাশী) হেক্টৰ মাটিৰে আগুৰা পবিতৰা ফৰেষ্ট ৰিজাৰ্ভ আৰু অন্যান্য পূতস্থানসমূহক লৈ পৰ্যটনৰ এখন বিশাল ক্ষেত্ৰ আছে।

বৰ্তমান যাতায়াত, যোগাযোগ ব্যৱস্থা উন্নত হোৱাৰ লগে লগে মানুহৰ জীৱন নিৰ্বাহৰ পদ্ধতি উন্নত হ'ব ধৰিছে, তাৰ লগে লগে অঞ্চলটোৰ প্ৰাচীন ঐতিহ্য আৰু লোক সাহিত্য ঘাইকৈ মন্ত্ৰ সাহিত্যৰ চৰ্চা কমি যোৱাৰ ফলত অসমৰ এই ঐতিহ্যপূৰ্ণ বিদ্যা ক্ৰমে লোপ পোৱাৰ আশংকাই দেখা দিছে।

সাহিত্যৰ সৈতে সমাজৰ ওতঃপ্ৰোত সম্বন্ধ আছে। মন্ত্ৰ সাহিত্যৰ পোনপটীয়া সম্পৰ্ক আছে সাহিত্যৰ সৈতে। লিখিত সাহিত্যৰ বহু আগতে মানুহ স্মৰণ শক্তিৰ বিস্ময়কৰ বিকাশ সাধন কৰি গুৰুৰপৰা শিষ্যলৈ অথবা পৈত্ৰিক পৰম্পৰাৰে পিছৰ প্ৰজন্মলৈ প্ৰেৰিত হৈ লোকসমাজক সুস্থ আৰু সবল ৰূপত গঢ়ি তুলিবলৈ মন্ত্ৰই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। এখন উপযুক্ত সমাজ গঢ়ি তুলিবলৈ হ'লে প্ৰতিজন মানুহৰ ব্যক্তিত্ব উপযুক্তভাৱে গঢ়িব লাগিব। মন্ত্ৰই এই উদ্দেশ্য সাধন কৰাৰ উপৰিও সমাজ সংগঠন কৰি উপযুক্ত সুস্থ পৰিৱেশ গঢ়ি তোলাত সবল ভূমিকা লয়। জীৱন আৰু জগত সম্পৰ্কে মন্ত্ৰকাৰসকলৰ গভীৰ দৃষ্টি আৰু কলাত্মক মনোভাৱ ইয়াৰ মাজেদি ফুটি উঠিছে।

মন্ত্ৰৰ অধ্যয়ন আৰু চৰ্চাই সমাজতত্ত্ব, মনস্তত্ত্ব আৰু ভাষাতত্ত্বৰ অধ্যয়নৰ বাট

মুকলি কৰিব পাৰে। অসমীয়া সমাজ আৰু জাতীয় জীৱনৰ আঁহে আঁহে মন্ত্ৰৰ প্ৰভাৱ আছে। এই মন্ত্ৰসমূহ সঠিক উচ্চাৰণ পদ্ধতি আৰু অবিকৃত ৰূপত সংৰক্ষণ কৰি মানৱ জীৱনৰ আভ্যন্তৰীণ শক্তি জাগ্ৰত কৰি আধুনিক চিকিৎসা বিজ্ঞানত সংযোগ কৰিলে লোক চিকিৎসা বিদ্যাই যে সমাজৰ উৎকৰ্ষ সাধনত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব সি ধ্ৰুৱপ।

অসমৰ অন্যান্য অঞ্চলতো মন্ত্ৰ চৰ্চাৰ পৰম্পৰা আছিল; কিন্তু মায়ং অঞ্চল প্ৰাকৃতিকভাৱে চাৰিওফালে পাহাৰে আৱৰা; যাতায়াত-যোগাযোগৰ উন্নত ব্যৱস্থা নথকাৰ বাবে মায়ং মন্ত্ৰ চৰ্চাৰ বাবে উৎকৃষ্ট স্থান হিচাবে পৰিগণিত হৈছিল আৰু অঞ্চলটোত এই বিদ্যা চৰ্চাৰ সুকীয়া বৈশিষ্ট্যৰে মন্ত্ৰ পৰম্পৰা ই প্ৰসাৰ লাভ কৰিছিল।

বনৌষধিসমূহৰ ক্ষেত্ৰতো দেখা যায় বনাঞ্চলসমূহ ধ্বংসৰ লগে লগে ইয়াত প্ৰাকৃতিকভাৱে উৎপাদিত বিভিন্ন বনদৰৱসমূহৰ উৎপাদন কমি আহিল ফলত বিভিন্ন ৰোগ আদিৰ বাবে চিনাক্ত দৰৱসমূহ লুপ্ত হৈ যাবলৈ ধৰিলে।

পুৰুষাণুক্ৰমে বেজালি বৃত্তি গ্ৰহণ কৰি অহা অসমৰ লোকসাহিত্য আৰু লোক চিকিৎসালৈ বৰঙণি আগবঢ়াই অহা বেজসকলৰ বৰ্তমান অৰ্থনৈতিক অৱস্থা যথেষ্ট দুৰ্বল।

শিক্ষাৰ প্ৰসাৰ আৰু প্ৰগতিৰ বাটত এখোজ আগুৱাই অহা মায়ং অঞ্চলত ধীৰে ধীৰে কুমন্ত্ৰকেন্দ্ৰীক অন্ধবিশ্বাস আৰু কুসংস্কাৰসমূহ আঁতৰি যাব ধৰিছে।

লোক-সাহিত্যৰ চৰ্চাৰ ক্ষেত্ৰতো দেখা যায় যে অতি প্ৰাচীন কালৰপৰাই মন্ত্ৰচৰ্চাই সকলোতকৈ গুৰুত্বপূৰ্ণ স্থান গ্ৰহণ কৰাৰ ফলত লোক-সাহিত্যৰ অন্যান্য বিষয়ৰ চৰ্চা তুলনামূলকভাৱে কম। লোকগীত, যোজনা, সাধুকথা সকলোতে এই কথা প্ৰযোজ্য। লোকগীতসমূহৰ ক্ষেত্ৰতো দেখা যায় জীৱন্ত হৈ থকা মুষ্টিমেয় কেইটামান অনুষ্ঠানৰ গীতহে প্ৰচলিত হৈ আছে। বেছিভাগ লোকগীতেই কালৰ সোঁতত বিলুপ্তিৰ পথত।

মায়ঙৰ লোকগীতসমূহত এহাতে আধ্যাত্মিক আনন্দৰ প্ৰকাশ আনহাতে জীৱনমুখিতা এই দুয়ো ভাবধাৰা গীতসমূহৰ মাজেদি ফুটি উঠিছে। আধ্যাত্মিক বা নিস্পৃহ ভক্তিৰ তাড়না গীতসমূহৰ মাজত দেখা যায় যদিও বেছিভাগ গীতেই শ্ৰমমুখী লোকসমাজৰ কৰ্মৰ ভিত্তিত গঢ় লৈ উঠা। লোকসাহিত্য সময় উপযোগীকৈ বৰ্ত্তি থাকিবলৈ অৰ্থাৎ কালজয়ী হ'বলৈ বাস্তৱক আওকান কৰিলে নহ'ব বৰং বাস্তৱ জীৱনক

সময়ৰ সৈতে গীতসমূহৰ মাজেৰে আগুৱাই নিব পাৰিলেও ই বিলুপ্তিৰ গৰাহৰ পৰা মুক্ত হ'ব।

মায়ঙৰ লোকসমাজে দিনটোৰ পৰিশ্ৰমৰ অন্তত 'বৈঠকী' অনুষ্ঠান পাতে। টোকাৰী, লাওটোকাৰী, খঞ্জৰী, দোঁতাৰা, একতাৰা আদি মুগাবটীয়া লগোৱা বা তাঁৰ লগোৱা বাদ্যযন্ত্ৰ আৰু ঢোল, ঢুলুকি আদি বাদ্যযন্ত্ৰৰ সৈতে সংগতি ৰাখি লোকসমাজে বিভিন্ন লোকগীত পৰিৱেশনৰ কৰি চৰ্চা অব্যাহত ৰাখিছিল কিন্তু বৰ্তমান জীৱিকাৰ পথ ভিন্ন হোৱাৰ লগে লগে সময়ৰ অভাৱত এই অনুষ্ঠান পালন কমকৈ হোৱা দেখা যায়। ই এহাতে মানসিক আনন্দ লাভ আনহাতে লোকগীতৰ চৰ্চা— এই দুয়ো উদ্দেশ্য সাধন কৰা পৰিলক্ষিত হয়।

তিৱা জনজাতিৰ লালিলাং গীতসমূহতো সামূহিক কৰ্ম একগোট হৈ কৰাৰ চানেকি পোৱা যায়।

যোজনা-পটন্তৰসমূহতো ধৰ্ম বা ঐহিক জীৱনৰ গূঢ়াৰ্থ প্ৰকাশৰ লগতে জীৱনৰ পথ মসৃণ কৰাৰ সূক্ষ্ম অভিব্যঞ্জনা প্ৰকাশ পাইছে। নতুন প্ৰজন্মৰ মাজত ইয়াৰ প্ৰতি অনিহাৰ মানোভাৱে সাহিত্য সমৃদ্ধিশালী কৰিব পৰা এই সমলসমূহ ক্ৰমে বিলুপ্তিৰ মুখলৈ ঠেলি দিছে।

শিক্ষাৰ প্ৰসাৰৰ লগে লগে শিক্ষিতচামৰ লোকভাষাৰ প্ৰতি এক অনীহাৰ মনোভাৱ দেখা যায়। সেইদৰে গদ্যধৰ্মী লোককথা, সাধুকথা ইত্যাদিৰো প্ৰচলন কমি গৈছে। সেইদৰে কিছুমান প্ৰচলিত প্ৰথাৰ বিলুপ্তিৰ লগে লগে তাক কেন্দ্ৰ কৰি প্ৰচলিত শব্দসমূহো লুপ্ত হৈছে। উদাহৰণ স্বৰূপে 'বাঘভেটা প্ৰথা'। এই প্ৰথাটো মায়ঙত প্ৰচলিত থকাৰ উপৰিও অন্যান্য অঞ্চললৈ মায়ঙৰ বেজ আমন্ত্ৰিত হৈছিল। এইক্ষেত্ৰত বহু পুৰণি মায়ঙীয়া শব্দ ব্যৱহাৰ হৈছিল। কিন্তু বৰ্তমান এই প্ৰথা বিলুপ্তিৰ লগে লগে লোকভাষাৰ অৰ্থপূৰ্ণ শব্দাৱলীৰ লোপ পাবলৈ ধৰিলে।

১৯৭৮ চন মানৰ পৰাই সংগ্ৰহ কৰা ঐতিহাসিক সামগ্ৰীসমূহক লৈ ২০০২ চনত গঢ় লৈ উঠা 'মায়ং কেন্দ্ৰীয় সংগ্ৰহালয় আৰু গৱেষণা কেন্দ্ৰ'ত ঐতিহ্যপূৰ্ণ সামগ্ৰীসমূহৰ লগতে মন্ত্ৰসমূহৰ সাঁচিপতীয়া পুথি সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে যদিও এতিয়াও বহু সামগ্ৰী গৃহস্থী লোকৰ ঘৰত অনাদৃত হৈ আছে।

মায়ং অঞ্চলৰ বুঢ়ামায়ঙতপ্ৰাপ্ত শিলালিপিখন অতি দীঘল, কিন্তু এই শিলালিপিখনৰ বৰ্তমানো পাঠ উদ্ধাৰ হোৱা নাই। এই শিলালিপি আৰু শিলত অংকিত কিছুমান চিহ্নই বিস্তৃত অধ্যয়নৰ বাট মোকলাব পাৰে লগতে ইয়াৰ পাঠ উদ্ধাৰ আৰু চিহ্নসমূহৰ সংকেতে অঞ্চলটোৰ বহুত নজনা কথাৰ সম্ভেদ দিব পাৰে।

মন্ত্ৰ সাহিত্যৰ বিষয়ে গৱেষণাৰ অন্তত আমি সিদ্ধান্ত কৰিব পাৰো যে মন্ত্ৰ সাহিত্যৰ অধ্যয়ন- পুৰণি কামৰূপৰ ঐতিহ্যৰ অধ্যয়ন। এসময়ত তন্ত্ৰ-মন্ত্ৰ চৰ্চাৰ কাৰণে এই দেশ বিখ্যাত আছিল। কামৰূপ-কামাখ্যাৰ পৰা মায়ঙলৈ এনে সাধনা অব্যাহত আছিল।

মন্ত্ৰৰ অন্তৰ্নিহিত শক্তিয়ে মানুহৰ মনস্তত্ত্বত গভীৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। স্পন্দন শক্তি আৰু বীজমন্ত্ৰসমূহৰ উচ্চাৰণৰ প্ৰভাৱে মানুহৰ বিশ্বাস বৃদ্ধিত সহায় কৰিছিল।

সমাজৰ পৰিৱৰ্তন আৰু সামাজিক বুজাপৰাত মন্ত্ৰই সহায় কৰা বুলি ধাৰণা জন্মে।

মন্ত্ৰৰ যোগেদি লোক বিশ্বাস আৰু লোক পৰম্পৰাই শিল্পীত ৰূপ লাভ কৰিছিল।

জাৰণ, মাৰণ, বশীকৰণ, সম্মোহণ আদি বিদ্যাই মন্ত্ৰৰ সৈতে জড়িত হৈ মানুহৰ অলৌকিক বিশ্বাসৰ ভেঁটি গঢ়ি তুলিছিল।

মন্ত্ৰৰ সৈতে জড়িত লোক-ঔষধিয়ে আয়ুৰ্বেদ চৰ্চাৰ দিশটো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। লোক চিকিৎসাৰ যোগেদি জনস্বাস্থ্যৰ উন্নয়নত সেয়ে মন্ত্ৰৰ গুৰুত্ব অধিক।

মন্ত্ৰৰ যোগেদি জাৰণ ক্ৰিয়াত ব্যৱহাৰ কৰা বিহলঙণি আৰু অন্যান্য উদ্ভিদৰ সৈতে শৰীৰত ঘৰ্ষণৰ পৰিণতি স্বৰূপে মানুহৰ ৰক্ত সঞ্চাৰণ আৰু মানসিক পৰিৱৰ্তনত কৰা প্ৰভাৱ অনস্বীকাৰ্য।

ঐতিহ্য আৰু পৰম্পৰাৰ অধ্যয়নত মন্ত্ৰৰ গুৰুত্ব অনস্বীকাৰ্য।

মন্ত্ৰৰ অধ্যয়নে ভৱিষ্যত লোক সাহিত্যৰ অন্যান্য দিশৰ অধ্যয়নৰো বাট মুকলি কৰি দিব পাৰে।

❑❑❑